
DAINIK ASSOM - 27 NOVEMBER - 2022

বক্তব্য আগবঢ়ায়।

## আন্তঃৰাষ্ট্ৰীয় ভাষা-সাহিত্য সন্মিলনৰ সামৰণি

# গৱেষণাপত্ৰসমূহ সামাজিক প্ৰেক্ষাপটত প্ৰভাৱ পেলাব পৰা হ'ব লাগে ঃ ড° নৱজ্যোতি বৰা

গুৱাহাটী, ২৬ নৱেম্বৰ ঃ গৱেষণাধৰ্মী সাহিত্য-আলোচনী স্বৰ্ণলিপি, বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় আৰু দিছপুৰ মহাবিদ্যালয়ৰ উদ্যোগত আজি আৰু কালি এক আন্তঃৰাষ্ট্ৰীয় ভাষা-সাহিত্য সন্মিলন অনুষ্ঠিত হয়। সন্মিলনৰ প্ৰচাৰ বিভাগৰ আহ্বায়িকা ড° প্ৰণীতা শৰ্মা আৰু সমন্বয়ক অজিত প্ৰসাদ শৰ্মাই এক বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে যে দিছপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সন্মিলনত অধ্যাপক ড° সুৰেশ বিতুপৰ্ণাকে ধৰি দেশ-বিদেশৰ ৩৯ গৰাকী গৱেষকে ভাগ লয়। সন্মিলনৰ প্ৰথম দিনাৰ কাৰ্যসূচী মহাবিদ্যালয় সঙ্গীত আৰু এটা বৰগীতেৰে শুভাৰম্ভণি হয়। আয়োজক সমিতিৰ আহ্বায়ক তথা স্বৰ্ণলিপিৰ সম্পাদক হৃদয়ানন্দ গগৈয়ে আঁত ধৰা সন্মিলনখন উদ্বোধন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, সাহিত্যিক ড° [illegible]নন্দ প্ৰসাদ শৰ্মাই কয় যে ধাৰণাৰ ওপৰত ভিত্তি কৰি এক দৰ্শনৰ সৃষ্টি হয় আৰু এই দৰ্শন অথবা মতবাদৰপৰা ভাষা-সাহিত্য-সংস্কৃতিয়ে প্ৰসাৰ লাভ কৰে। বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিশেষ অতিথিৰূপে উপস্থিত থাকি মুখ্য বক্তাৰূপে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° গৌতম কুমাৰ বৰাই সাহিত্য আৰু ভাষাৰ বিভিন্ন পাশ্চাত্য ধ্যান-ধাৰণা আৰু পণ্ডিতৰ উক্তিৰে ভাষা-সাহিত্যৰ প্ৰত্যাহ্বান আৰু দায়িত্ব সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। দিছপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে আদৰণী ভাষণত অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত শতাধিক ভাষাৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ ক্ষেত্ৰত গৱেষকসকলৰ দায়িত্ব অধিক বুলি মন্তব্য কৰে। সাহিত্য সন্মিলনত দেশ-বিদেশৰ সাহিত্যৰ লগতে অসমৰ লোক-সাহিত্য, লোক-সংস্কৃতি, জাতি-জনগোষ্ঠীয় পৰম্পৰা-ঐতিহ্য সম্পৰ্কীয় বিভিন্ন গৱেষণাপত্ৰ পাঠ কৰা হয়। কেইবাটাও সত্ৰত অনুষ্ঠিত আলোচনা চক্ৰত এবিলাকৰ অধ্যাপক ড° ভাস্কৰজ্যোতি শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ ড° ধ্ৰুৱজ্যোতি দাস, সাহিত্যিক ডঃ নমিতা ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰাণজিত বৰা, সহযোগী অধ্যাপিকা ডঃ নীভাৰাণী ফুকন, বি এন কলেজৰ ড° উপেন্দ্ৰজিৎ শৰ্মা, দিছপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী ড° সঞ্জীৱ কুমাৰ শৰ্মাই সঞ্চালকৰ দায়িত্ব পালন কৰে। সন্মিলনত সামৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰি দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই ভাষা-সাহিত্যৰ উন্নয়ন আৰু প্ৰত্যাহ্বানসমূহক গৱেষকসকলে পদ্ধতিগত অধ্যয়নৰ জৰিয়তে আগবঢ়াই নিয়াৰ লগতে গৱেষণাপত্ৰসমূহ সামাজিক প্ৰেক্ষাপটত প্ৰভাৱ পেলাব পৰাবিধৰ হ'ব লাগে বুলি মন্তব্য কৰে। ড° জ্যোতিপ্ৰসাদ শইকীয়াই গৱেষকসকলক উদ্দেশ্যি কয় যে জ্ঞান অন্বেষণতে সীমাবদ্ধ নাৰাখি জ্ঞান নিৰ্মাণ কৰিব লাগে। ভাষা-সাহিত্য-সংস্কৃতিৰ পৰ্যবেক্ষণ অবিহনে যে মূল্যায়ন কেতিয়াও সম্ভৱ নহয়, সেই বিষয়ে তেওঁ বিস্তৃত বিৱৰণ দাঙি ধৰে। সাহিত্য অকাডেমি বঁটা বিজয়ী ড° জয়ন্ত মাধৱ বৰা আৰু জাপানৰ সন্মানীয় অতিথি ড° সুৰেশ বিতুপৰ্ণায়ো ভাষণ প্ৰদান কৰে। উপাধ্যক্ষ ড° সুনীতা আগৰৱালাই শলাগৰ শৰাই আগবঢ়ায়।




গুৱাহাটী ২৮ নৱেম্বৰ, ২০২২ সোমবাৰ, পৃষ্ঠা ৯

লোকক সম্বৰ্ধনা জনোৱা হয়।

# দিছপুৰ মহাবিদ্যালয়ত আন্তৰ্জাতিক ভাষা-সাহিত্য সন্মিলনৰ সামৰণি

গুৱাহাটী, ২৭ নৱেম্বৰ ঃ গৱেষণাধৰ্মী সাহিত্য আলোচনী স্বৰ্ণলিপি-বীৰাংগণা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় আৰু দিছপুৰ মহাবিদ্যালয়ৰ উদ্যোগত যোৱা ২৫ আৰু ২৬ নৱেম্বৰত দুদিনীয়াকৈ অনুষ্ঠিত আন্তৰ্জাতিক ভাষা-সাহিত্য সন্মিলন কালি সামৰণি পৰে। সন্মিলনৰ প্ৰচাৰ বিভাগৰ আহ্বায়িকা ড° প্ৰণিতা শৰ্মা আৰু সমন্বয়ক অজিত প্ৰসাদ শৰ্মাই এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিয়ে যে দিছপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সন্মিলনত অধ্যাপক ড° সুৰেশ ৰিতুপৰ্ণাকে আদি কৰি ৬৩ গৰাকী গৱেষকে ভাগ লয়। আন্তৰ্জাতিক ভাষা-সাহিত্য সন্মিলনৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি আয়োজক সমিতিৰ আহ্বায়ক তথা স্বৰ্ণলিপিৰ সম্পাদক হৃদয়ানন্দ গগৈয়ে আঁত ধৰা সন্মিলন উদ্বোধন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক-সাহিত্যিক ড° গোবিন্দ প্ৰসাদ শৰ্মাই কয় যে ধাৰণাৰ ওপৰত ভিত্তি কৰি এক দৰ্শনৰ সৃষ্টি হয় আৰু এই দৰ্শন অথবা মতবাদৰ পৰা ভাষা-সাহিত্য-সংস্কৃতিয়ে প্ৰসাৰ লাভ কৰে। বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিশেষ অতিথিৰূপে উপস্থিত থাকি মুখ্য বক্তাৰূপে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° গৌতম কুমাৰ বৰাই সাহিত্য আৰু ভাষাৰ বিভিন্ন পাশ্চাত্য ধ্যান-ধাৰণা আৰু পণ্ডিতৰ উক্তিৰে ভাষা-সাহিত্যৰ প্ৰত্যাহ্বান আৰু দায়িত্ব সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। দিছপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে আদৰণি ভাষণ প্ৰদান কৰে। সাহিত্য সন্মিলনত দেশ-বিদেশৰ সাহিত্যৰ লগতে অসমৰ লোক-সাহিত্য, লোক-সংস্কৃতি, জাতি-জনগোষ্ঠীয় পৰম্পৰা-ঐতিহ্যৰ ওপৰত বিভিন্ন গৱেষণাপত্ৰ পাঠ কৰা হয়। কে'বাটাও সত্ৰত অনুষ্ঠিত হোৱা আলোচনাসত্ৰত অধ্যাপক ড° ভাস্কৰ জ্যোতি শৰ্মা, কটন বিশ্বাদ্যালয়ৰ অধ্যাপক ড° ধ্ৰুৱজ্যোতি দাস, সাহিত্যিক ড° নমিতা ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰাণজিত বৰা, সহযোগী অধ্যাপিকা ড° নীভাৰাণী ফুকন, বি এন কলেজ ধুবুৰীৰ অধ্যাপক ড° উপেন্দ্ৰজিত শৰ্মা, দিশপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° সঞ্জীৱ কুমাৰ শৰ্মাই সঞ্চালকৰ দায়িত্ব পালন কৰে। সন্মিলনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই ভাষা-সাহিত্যৰ উন্নয়ন আৰু প্ৰত্যাহ্বান সমূহক গৱেষকসকলে পদ্ধতিগত অধ্যয়নৰ জৰিয়তে আগবঢ়াই নিয়াৰ উপৰি গৱেষণাপত্ৰসমূহে সামাজিক প্ৰেক্ষাপটত প্ৰভাৱ পেলাব পৰা বিধৰ হ'ব লাগে বুলি মত পোষণ কৰে। সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° শইকীয়াই গৱেষকসকলক উদ্দেশি কয় যে জ্ঞান অন্বেষণতে সীমাবদ্ধ নাৰাখি জ্ঞান নিৰ্মাণ কৰিব লাগে আৰু ভাষা-সাহিত্য-সংস্কৃতিৰ পৰ্যবেক্ষণ অবিহনে যে মূল্যায়ণ কেতিয়াও সম্ভৱ নহয়, সেই বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰে। সভাত সাহিত্য অকাডেমী বঁটা বিজয়ী ড° জয়ন্ত মাধৱ বৰা আৰু জাপানৰ অতিথি সাহিত্যিক ড° ৰিতুপৰ্ণাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ সামৰণিত গৱেষকসকলক প্ৰ-পত্ৰ প্ৰদান কৰাৰ অন্তত উপাধ্যক্ষ ড° সুনীতা আগৰৱালাৰ শলাগৰ শৰাইৰে দুদিনীয়া সন্মিলনৰ সামৰণি পৰে।